**Regional News Unit**

All India Radio, Guwahati

0000000000

**Date :** 31 DEC-2025

**Time :** 1800 Hrs

***Assamese Morning Bulletin***

---

০০০০০০

১।	ইংৰাজী ২০২৬ বছৰটোত ৰাইজৰ সৰল কণ্ঠৰ ভূমিকা পালন কৰি যাবলৈ অসম গণ পৰিষদ দল প্ৰতিশ্ৰুতিৱদ্ধ।

২।	মেঘালয়ৰ বিশিষ্ট চিত্ৰ-ভাস্কৰ্য্য শিল্পী ৰাফেল ৰাৰ্জ্জিলৈ ২০২৫ বৰ্ষৰ প্ৰণৱ বৰুৱা শিল্পী বঁটা।

৩।	ডিব্ৰুগড়ৰ তিপমীয়া ধোৱা পথাৰত অহা ৩ জানুৱাৰীৰ পৰা সদৌ অসম মৃদঙীয়া গায়ন-বায়ন সংস্থা, অসমৰ দ্বিতীয় দ্বি-বাৰ্ষিক পূৰ্ণাংগ ৰাজ্যিক অধিৱেশন আৰু অখণ্ড ভাগৱত পাঠ

*আৰু*

৪।	ভুক্তভোগীয়ে ৰাজ্যৰ যিকোনো স্থানত অভিযোগ দিব পাৰিব বুলি আৰক্ষী সঞ্চালকপ্ৰধান মুন্না প্ৰসাদ গুপ্তাৰ প্ৰকাশ।

০০০০০০

অসম গণ পৰিষদ দলে ইংৰাজী ২০২৬ বছৰটোতো ৰাইজৰ সৰল কণ্ঠৰ ভূমিকা পালন কৰি যাব। বছৰটোৰ অন্তিম দিনা আজি দলটোৰ আমবাৰী মুখ্য কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত দলৰ সভাপতি অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তই এই অংগীকাৰৰ কথা প্ৰকাশ কৰে। সভাপতি অতুল বৰাই কয় যে অসম গণ পৰিষদে ঘৰে ঘৰে সংস্থাপন-ঘৰে ঘৰে উপাৰ্জন শীৰ্ষক গ্ৰামাঞ্চলৰ অৰ্থনৈতিক বিকাশৰ বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিব। ২০২৬ ৰ বিধানসভা নিৰ্বাচনত মিত্ৰদল বিজেপিৰ সৈতে দলটোৱে মিত্ৰতা অক্ষুণ্ণ ৰাখি জয়লাভৰ সম্ভাৱনা থকা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব বুলি শ্ৰী বৰাই প্ৰকাশ কৰে। অৱশ্যে দলৰ নিৰ্বাচনী ৰণকৌশল অথবা আসন বুজাবুজি সন্দৰ্ভত আজিয়েই কোনো কথা প্ৰকাশ কৰিবলৈ তেওঁ অস্বীকাৰ কৰে। আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰে অসম চুক্তি ৰূপায়ণ সম্পৰ্কত সোধা এটা প্ৰশ্নৰ উত্তৰত শ্ৰীবৰাই বৰ্তমান চৰকাৰৰ দিনত এই ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি লাভ কৰা হৈছে বুলি দাবী কৰে।

-বাইট (অতুল বৰা)-

০০০০০০

মেঘালয়ৰ বিশিষ্ট চিত্ৰ ভাস্কৰ্য্য শিল্পী ৰাফেল ৰাৰ্জ্জিলৈ ২০২৫ বৰ্ষৰ প্ৰণৱ বৰুৱা শিল্পী বঁটা আগবঢ়োৱা হৈছে। বিগত চাৰি দশকৰো অধিক কাল চিত্ৰকলা চৰ্চাৰ জৰিয়তে সমাজত সুন্দৰৰ বাৰ্তা বিয়পোৱাৰ স্বীকৃতি স্বৰূপেই শ্ৰী ৰাৰ্জ্জিক এই বঁটাৰ বাবে বাচনি কৰা হৈছে। এই বঁটাত আছে নগদ ২৫ হেজাৰ টকা, এটা স্মাৰক আৰু এখন প্ৰশস্তি পত্ৰ। ১৯৬১ চনৰ ১৪ মাৰ্চত শ্বিলঙত জন্ম গ্ৰহণ কৰা ৰাৰ্জ্জিয়ে ১৯৯১ চনত ৰিতি একাডেমী অফ ভিজুৱেল আৰ্টচ নামৰ এটা সুকুমাৰ কলা প্ৰতিষ্ঠান স্থাপন কৰে। তেওঁ ইণ্ডিয়ান নেচনেল ট্ৰাষ্ট ফৰ আৰ্ট এণ্ড কালচাৰেল হেৰিটেজ আৰু খাচী অথৰচ চছাইটিৰ আজীৱন সদস্য। ৬৫ বছৰীয়া শিল্পী গৰাকীয়ে ইতিমধ্যে কলকাতাৰ আই এচ বি এণ্ড এম গ্ৰীণ ৰাৰিয়ৰ বঁটা আৰু টিৰত সিং সোঁৱৰণী ৰাজ্যিক বঁটা লাভ কৰিছে। খাচী আৰু ইংৰাজী দুইটা ভাষাতে কেইবাখনো মূল্যৱান গ্ৰন্থ প্ৰণয়ন কৰা শ্ৰী ৰাৰ্জ্জি চলচ্চিত্ৰ আৰু নাট্য কলাৰ সৈতেও জড়িত।

০০০০০০

ডিব্ৰুগড় জিলাৰ টিংখাং বিধানসভা সমষ্টিৰ অনন্তৰ্গত তিপমীয়া ধোৱা পথাৰ বৰনামঘৰ প্ৰাংগনত অহা ৩ জানুৱাৰীৰ পৰা সদৌ অসম মৃদঙীয়া গায়ন-বায়ন সংস্থা, অসমৰ দ্বিতীয় দ্বি-বাৰ্ষিক পূৰ্ণাংগ ৰাজ্যিক অধিৱেশন আৰু অখণ্ড ভাগৱত পাঠ অনুষ্ঠিত হ'ব। এই আধ্যাত্মিক তথা সাংস্কৃতিক অনুষ্ঠান সুচাৰুৰূপে সম্পন্ন কৰিবলৈ উদ্যোক্তা আৰু স্থানীয় ৰাইজে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। স্থানীয় বিধায়ক তথা ৰাজ্যৰ সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই আজি অধিৱেশনস্থলী পৰিদৰ্শন কৰি সামগ্ৰিক প্ৰস্তুতিৰ বুজ লয়। মঞ্চ, থকা-খোৱাৰ ব্যৱস্থা, ভকত-বৈষ্ণৱৰ বাবে সা-সুবিধা, শৃংখলা আৰু সুৰক্ষাৰ দিশসমূহ পৰ্য্যালোচনা কৰাৰ লগতে মন্ত্ৰীগৰাকীয়ে উদ্যোক্তাসকলক প্ৰয়োজনীয় দিহা-পৰামৰ্শ আগবঢ়ায়।

০০০০০০

মাজুলী সাংবাদিক সন্থাই বিগত বছৰকেইটাৰ দৰে বছৰৰ শেষ দিনটোত আজি স্নেহ সন্মিলনৰ আয়োজন কৰে। মাজুলী মহাবিদ্যালয়ৰ পদ্মকান্ত গোস্বামী সভাকক্ষত আয়োজিত স্নেহ সন্মিলনত জিলাখনৰ তিনিজন বিশিষ্ট ব্যক্তি পদ্মধৰ পেগু, বাচাৰাম বৰুৱা আৰু বলো কলিতাক সন্থাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱাৰ লগতে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ দেৱজিৎ শইকীয়াক সাহিত্যজ্যোতি বঁটা প্ৰদান কৰা হয়। সন্থাৰ সভাপতি দিবাকৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত এই সন্মিলনত বহু কেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

ভুক্তভোগীয়ে এতিয়াৰে ৰাজ্যৰ যিকোনো থানাত অভিযোগ দিব পাৰিব। ৰাজ্যৰ বিশেষ আৰক্ষী সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই আজি এখন সংবাদমেলত এই কথা সদৰি কৰে। তেওঁ কয় যে ৰাজ্যত ২০২৫ বৰ্ষত মুঠ ৭০ হাজাৰ এজাহাৰ দাখিৰ কৰা হৈছে আৰু ইয়াৰে প্ৰায় ৯৫ শতাংশ গোচৰ নিষ্পত্তি কৰা হৈছে। নিয়াৰিকৈ অভিযোগনামা দাখিল কৰা বিষয়া আৰু তদন্তকাৰী বিষয়াক পুৰস্কাৰ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত দাখিল কৰা অভিযোগনামা সম্পৰ্কে মন্তব্য কৰি বিশেষ আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে কয় যে ন্যায়ালয়ে গোচৰটোৰ সঠিক বিচাৰ কৰিব।

০০০০০০

শিৱসাগৰৰ ঐতিহ্যমণ্ডিত ৰঞ্জন প্ৰেছৰ কেলেণ্ডাৰ-২০২৬ আজি আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। শিৱসাগৰ জিলা সাহিত্য সভাৰ প্ৰাকক্তন সভাপতি হেম বৰুৱাই এই কেলেণ্ডাৰ উন্মোচন কৰে। ১৯৫০ চনত প্ৰথমবাৰৰ বাবে প্ৰকাশ পোৱা এই কেলেণ্ডাৰখনে বিগত ৭ টা দশকৰো অধিক সময় ধৰি বহু লোকৰ দৈনন্দিন জীৱনৰ অবিচ্ছেদ্য অংগ হিচাপে পৰিগণিত হৈছে। চৰকাৰী আৰু বেংকৰ ছুটীৰ দিনসমূহ নিখুঁতভাৱে সন্নিৱিষ্ট কৰাৰ বাবে এই কেলেণ্ডাৰ নিৰ্ভৰযোগ্য বুলি গণ্য কৰা হয়। উন্মোচনী অনুষ্ঠানত জ্যেষ্ঠ নাগৰিক জেহিৰুদ্দিন খান, বিশিষ্ট সাংবাদিক মণিৰুল ইছলাম বৰা আদি কেইববাজনো বিশিষ্ট ব্যক্তিয়ে কেলেণ্ডাৰখনৰ ঐতিহাসিক গুৰুত্ব আৰু ইয়াৰ অৱদানৰ বিষয়ে উল্লেখ কৰে।

০০০০০০

ইংৰাজী ২০২৫ বৰ্ষৰ আজি অন্তিম দিন। কাইলৈ নতুন সম্ভাৱনা লৈ এটা নতুন বৰ্ষ আৰম্ভ হ'ব। ৰাজনীতি, সমাজনীতি, সাহিত্য-সংস্কৃতি, চলচ্চিত্ৰ, ক্ৰীড়া আৰু বিজ্ঞান-প্ৰযুক্তি জগতৰ বহু উত্থান-পতন আৰু ঘটনা-পৰিঘটনাৰ সাক্ষী হৈ যোৱা ২০২৫ বছৰটোৱে অসমবাসীলৈ ভালেমান সুখ আৰু দুখৰ সংবাদ লৈ আহিছিল। এনে প্ৰত্যাহ্বান নেওচিও জনসাধাৰণে নতুন সময়ক আদৰাৰ বাবে প্ৰস্তুতি চলাইছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত নৱবৰ্ষক আদৰাৰ বাবে আজি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বছৰৰ অন্তিম দিনা বনভোজস্থলীসমূহতো যথেষ্ট ভিৰ পৰিলক্ষিত হৈছে।

০০০০০০

নগাওঁ জিলাত চলিত বছৰটোত আৰক্ষীয়ে জব্দ কৰা বৃহৎ পৰিমাণৰ অবৈধ নিচাজাতীয় সামগ্ৰী আজি জ্বলাই দিয়া হয়। আদালতৰ অনুমতি সাপেক্ষে নগওঁ চহৰৰ সমীপৰ এটা ইটা ভাটাত জিলা আয়ুক্ত দেৱাশিস শৰ্মা, জ্যেষ্ঠ আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকা আৰু যুঁটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ তপন কুমাৰ শইকীয়াৰ উপস্থিতিত প্ৰায় ১৮ কোটি টকা মূল্যৰ নিচাজাতীয় সামগ্ৰীখিনি পুৰি পেলোৱা হয়। আজি এনেদৰে জ্বলাই দিয়া সামগ্ৰীৰ ভিতৰত ৬ কিলোগ্ৰামতকৈও অধিক হেৰোইন, প্ৰায় ২৫০ কিলোগ্ৰাম ভাঙৰ লগতে বৃহৎ পৰিমাণৰ ঔষধ, চিগাৰেট আৰু অন্যান্য ধপাতজাতীয় সামগ্ৰী আছিল বুলি আকাশবাণীৰ নগাঁৱৰ সংবাদদাতাই জানিবলৈ দিছে। আৰক্ষীৰ তথ্য অনুসৰি নগাওঁ জিলাত চলিত বছৰটোত ড্ৰাগছ সৰবৰাহ সন্দৰ্ভত ৩৮৮ টা গোচৰ ৰুজু হোৱাৰ লগতে ৫৩০ জন লোকক গ্ৰেপ্তাৰ কৰা হয়।

০০০০০০

অসমৰ আকাশ বৰ্মণে মধ্যপ্ৰদেশৰ গুনাত অনুষ্ঠিত ৬৯ সংখ্যক ১৪ বছৰ অনুৰ্ধ ৰাষ্ট্ৰীয় বিদ্যালয় ক্ৰীড়া মহোসৎৱত বক্সিঙৰ ৪০ পৰা ৪২ কিলোগ্ৰাম ওজন শাখাত সোণৰ পদক অৰ্জন কৰিছে।

০০০০০০

সমাপ্ত